# আইনগত সহায়তা আৰু শিশুসকল

## শিশুসকলৰ বাবে থকা আইনগত সেৱাসমূহৰ সুবিধা লোৱা বিষয়ক মৌলিক তথ্য

### 1 আইনগত সহায়তা কি?

আইনগত সহায়তা হ'ল সেই সকলো ব্যক্তিকে বিনামূলীয়াকৈ আইনগত সেৱা প্রদান কৰা যিসকল ব্যক্তি কোনো আদালত, ন্যায়াধিকৰণ বা কর্তৃপক্ষৰ সমুখত তেওঁক প্রতিনিধিত্ব কৰিব পৰা এগৰাকী অধিবক্তাৰ বাবে হোৱা ব্যয় বহন কৰিবলৈ অপাৰগ।

### 2 শিশুসকল আইনগত সহায়তাৰ যোগ্য হয়নে?

হয়, আইনগত সেৱা প্ৰাধিকৰণ অধিনিয়ম, 1987 ৰ ধাৰা 12(c) ৰ অধীনত জিম্মাত থকা প্ৰতিটো শিশু আৰু ধাৰা 12(g) ৰ অধীনত জিম্মাত থকা যিকোনো ব্যক্তি আইনগত সহায়ৰ বাবে যোগ্য। গতিকে, পৰিচৰ্য্যা আৰু সুৰক্ষাৰ প্ৰয়োজন হোৱা এটি শিশু (CNCP) আৰু আইনৰ সৈতে সংঘৰ্ষত লিপ্ত শিশু (CCL)- কিশোৰ ন্যায় ব'ৰ্ড, শিশুসকলৰ বাবে থকা আদালত বা আন কোনো মঞ্চত আইনগত সহায়তা প্ৰদানকাৰী এগৰাকী অধিবক্তাৰ নিযুক্তি বিচৰাৰ বাবে যোগ্য। ৰাষ্ট্ৰীয়তা নিৰ্বিশেষে সকলো শিশুৰেই আইনগত সহায়ৰ অধিকাৰ আছে।

### 3 বিনামূলীয়া আইনগত সহায়তা বিচাৰি এটি শিশুৱে কাৰ কাষ চাপিব পাৰে?

শিশুটিয়ে এইসকল লোকক অনুৰোধ কৰিব পাৰেঃ

- I. অৰ্ধ-আইনগত স্বেচ্ছাসেৱক বা আইনগত সহায়তা অধিবক্তাসকলকে ধৰি আইনগত সহায়তা প্ৰদানকাৰীসকল যিসকলে NALSA (শিশুসকলক শিশুৰ প্ৰতি বন্ধুভাৱাপন্ন আইনগত সহায়তা প্ৰদান আৰু তেওঁলোকৰ সুৰক্ষা) আঁচনি, 2015 ৰ অধীনত প্ৰতিষ্ঠা কৰা আইনগত সহায়তা ক্লিনিক চলাই আছে;
- ii. সংশ্লিষ্ট কিশোৰ ন্যায় ব'ৰ্ডৰ (JJB) যিকোনো সদস্য, যিখন বৰ্ডক সকলো কিশোৰৰ বাবে বিনামূলীয়া আইনগত সহায়তা সুনিশ্চিত কৰিবলৈ জনাদেশ দি থোৱা আছে (কিশোৰ ন্যায় নিয়মাৱলীৰ নিয়ম 3.1(d) (iii) যিটো পঢ়িব লাগিব নিয়ম 14 (2) ৰ সৈতে);
- iii. যিটো কিশোৰ আবাসত শিশুটিক আটক কৰি থোৱা হৈছে সেই আবাসৰ অধীক্ষক/মুৰব্বী;
- iv. সচিব, জিলা আইনগত সেৱা প্ৰাধিকৰণ (DLSA);
- v. সচিব, মহকুমা আইনগত সেৱা কমিটি;
- vi. যিটো কিশোৰ আবাসত শিশুটিক আটক কৰি থোৱা হৈছে সেই আবাস ভ্ৰমণ কৰা আইনগত সহায়তা প্ৰাধিকৰণসমূহে দায়িত্ব দিয়া আইনগত সহায়তা অধিবক্তাসকল;
- vii. শিশু কল্যাণ সমিতি (CWC);
- viii. শিশু কল্যাণ পুলিচ বিষয়া (CWPO);
- ix. জিলা শিশু সুৰক্ষা ইউনিট;
- x. জিলা শিশু সুৰক্ষা ইউনিটত থকা আইনী তথা আৰক্ষিকাল বিষয়া।



### 4 আইনগত সহায়তাৰ অধীনত কি কি সেৱা বিনামূলীয়াকৈ পোৱা যায়?

- i. এগৰাকী অধিবক্তাৰ সেৱা যি আপোনাৰ গোচৰৰ প্ৰতিনিধিত্ব কৰিব (ব'ৰ্ডৰ অনুসন্ধান বা আপীলৰ সময়ত) JJB বা শিশুসকলৰ আদালত বা আন যিকোনো মঞ্চত;
- ii. আদালত আৰু আন প্ৰসংস্কৰণ মাচুলসমূহৰ ধনাদায়;
- iii. যিকোনো আইনগত কাৰ্য্যবিৱৰণীৰ প্ৰস্তুতি, খচৰা আৰু দাখিলৰ বাবে ভৰণি;
- iv. এগৰাকী আইনগত অনুশীলনকাৰী বা আইনগত উপদেষ্টাৰ মাচুল;
- v. ফৰমান, ৰায়, আদেশ বা এক আইনগত কাৰ্য্যবিৱৰণীত হোৱা আন যিকোনো নথি প্ৰাপ্ত কৰাৰ বাবে হোৱা খৰচ;
- vi. ছপা, অনুবাদ আদিকে ধৰি কাগজী কামৰ বাবে হোৱা খৰচ।

### 5 আইনগত সহায়তাৰ বাবে কেনেকৈ আবেদন কৰিব?

- i. এটি শিশু বা তেওঁৰ অভিভাৱকে ওপৰত উল্লেখ কৰা প্ৰাধিকৃত ব্যক্তিসকলৰ ভিতৰত যিকোনো এগৰাকীৰ সৈতে মৌখিক যোগাযোগ স্থাপন কৰি আইনগত সহায়তাৰ বাবে আবেদন কৰিব পাৰে।
- ii. ওপৰত উল্লেখ কৰা প্ৰাধিকৃত ব্যক্তিসকলৰ ভিতৰত যিকোনো এগৰাকীৰ ওচৰত এখন লিখিত আবেদন দাখিল কৰি। এই আবেদনৰ খচৰা প্ৰস্তুত কৰিবলৈ শিশুটিক যিটো আবাসত আটক কৰি থোৱা হৈছে সেইটো আবাসলৈ ভ্ৰমণ কৰিবলৈ অহা যিকোনো সমাজ কৰ্মী/সংস্থাৰ সহায় ল'ব পৰা যায়।

যি ক্ষেত্ৰত অভিভাৱকে পঢ়িব বা লিখিব নোৱাৰে, সেই ক্ষেত্ৰত আইনগত সেৱা প্ৰাধিকৰণে তেওঁৰ বুঢ়া আঙুলিৰ ছাপৰ সৈতে তেওঁৰ বিবৃতি অভিলেখবদ্ধ কৰিব পাৰে। এনে এটা বিবৃতি পিছত এখন আবেদন বুলি বিবেচনা কৰা হ'ব।

### 6 কোনে আইনগত সহায়তা প্ৰদান কৰে?

- i. মহকুমা আইনগত সেৱা কমিটি (TLSC)
- ii. জিলা আইনগত সেৱা প্ৰাধিকৰণ (DLSA)
- iii. ৰাজ্যিক আইনগত সেৱা প্ৰাধিকৰণ (SLSA)
- iv. উচ্চ ন্যায়ালয় আইনগত সেৱা কমিটি (HCLSA)
- v. ৰাষ্ট্ৰীয় আইনগত সেৱা প্ৰাধিকৰণ (NALSA)
- vi. উচ্চতম ন্যায়ালয় আইনগত সেৱা কমিটি (SCLSC)



### 7 আইনগত সহায়তা লাভ কৰাৰ সময়ত এনেকুৱা কিবা কৰ্ত্তব্য আছেনেকি যিবোৰৰ প্ৰতি শিশুসকল সচেতন হোৱা উচিত?

আছে, শিশুটিয়ে

- তেওঁৰ অধিবক্তাগৰাকীক সম্পূৰ্ণ সত্য কথা কোৱা উচিত।
- অধিবক্তাগৰাকীক কোনো মাচুল বা খৰচৰ ধনাদায় কৰা অনুচিত।
- য'ত সম্ভৱ হয় শিশুটিয়ে, JJB ত হোৱা শুনানীত উপস্থিত থাকিবলৈ আৰু গোচৰটোৰ অগ্ৰগতি সম্পৰ্কে নিয়মীয়াভাৱে কথাবোৰ অধিবক্তাগৰাকীৰপৰা জানি থাকিবলৈ তেওঁৰ পৰিয়ালৰ এগৰাকী সদস্যক (মাক, দেউতাক, খুড়ীয়েক, খুড়াক, ককাক-আইতাক) বা যৌন অপৰাধৰপৰা শিশুৰ সুৰক্ষা (POSCO) গোচৰত সহায়কাৰী ব্যক্তিক (CWC এ নিযুক্তি দিয়া) অনুৰোধ কৰিব পাৰে।

### 8 আইনগত সহায়তা যে প্ৰদান কৰা হৈছে তাক সুনিশ্চিত কৰিবলৈ পুলিচ আৰু JJB ৰ কি কি কৰ্ত্তব্য আছে?

- I. আইনৰ সৈতে সংঘৰ্ষত লিপ্ত হোৱা বুলি অভিযোগ উঠা শিশুটিক আটক কৰা পুলিচ বিষয়াগৰাকীয়ে শিশুটিক বিনামূলীয়া আইনগত সহায় আগবঢ়াবলৈ DLSA ক অৱগত কৰোৱাব (কিশোৰ ন্যায় (শিশুসকলৰ পৰিচৰ্য্যা আৰু সুৰক্ষা) নিয়মাৱলী, 2016 ৰ নিয়ম 8(3)(vii) অনুসাৰে)।
- ii. শিশুসকলক আইনগত সহায়তা প্ৰদান কৰিবলৈ বিশেষ কিশোৰ পুলিচ ইউনিটে জিলা আইনগত সেৱা প্ৰাধিকৰণৰ (DLSA) সৈতে সমন্বয় ৰক্ষা কৰি চলিব (কিশোৰ ন্যায় (শিশুসকলৰ পৰিচৰ্য্যা আৰু সুৰক্ষা) নিয়মাৱলী, 2016 ৰ নিয়ম 86(13) অনুসাৰে)।
- iii. প্ৰথমবাৰ প্ৰদৰ্শনত প্ৰাথমিক অনুসন্ধানৰ সময়ত শিশুটিৰ বাবে আইনগত সহায়তাৰ লভ্যতা সুনিশ্চিত কৰাটো JJB ৰ কৰ্ত্তব্য (কিশোৰ ন্যায় (শিশুসকলৰ পৰিচৰ্য্যা আৰু সুৰক্ষা) নিয়মাৱলী, 2015 ৰ নিয়ম 8(3)(c) অনুসাৰে)।
- iv, JJB এ শিশুটিক আৰু তেওঁৰ পৰিয়ালক অৱগত কৰোৱাবলৈ আৰু চিনাকি কৰাই দিবলৈ আইনগত সহায়তা প্ৰদানকাৰী অধিবক্তাগৰাকীক মাতি পঠিয়াব লাগিব আৰু বিনামূলীয়া আইনগত সহায়তা পোৱাৰ অধিকাৰ সম্পৰ্কে তেওঁলোকক সচেতন কৰি দিব লাগিব (সম্পূৰ্ণা বেহুৰা বনাম ভাৰত সংঘৰাষ্ট্ৰ আৰু অন্যান্যসকল, 2018)।

CHRI
Commonwealth Human Rights Initiative
working for the practical realisation of human rights in the countries of the Commonwealth

Commonwealth Human Rights Initiative
55A, Third Floor, Siddharth Chambers, Kalu Sarai
New Delhi - 110 017, India
Tel: +91 11 4318 0200; Fax: +91 11 2686 4688
E-mail: info@humanrightsinitiative.org
Website: www.humanrightsinitiative.org